# কিআ-মো-লু-পো

অসম কলেজ শিক্ষক সংস্থা



সম্পাদক

ড° আলি আকবৰ হুছেইন

# কিআ-মোন্লু-পো

সম্পাদনা

ড° আলি আকবৰ হুছেইন

অসম কলেজ শিক্ষক সংস্থা

# KIA-MO-LU-PO

*A collection of articles, across the discipline edited by Dr. Ali Akbar Hussain & published by Prof. Biswajit Bhuyan, General Secretary, Assam College Teachers' Association.*

---


**Prepared by**

Assam College Teachers' Association Kamrup 'B' zone



**Advisory committee**

President, ACTA : Prof. Naren Changmai
Secretary, ACTA : Prof. Biswajit Bhuyan
Vice-President, ACTA : Prof. Sheikh Hedayatullah
Academic Secretary, ACTA : Prof. Himanghsu Maral
President, ACTA, Kamrup 'B' Zone : Prof. Noor Alom
Secretary, ACTA, Kamrup 'B' Zone : Dr. Hazrat Ali

**Editorial Board**

Editor : Dr. Ali Akbar Hussain
Members : Dr. Malabika Roy
: Dr. Jogesh Deka
: Dr. Barnali Deka
: Dr. Anjanjyoti Borah
: Prof. Habibur Rahman
: Dr. Taijuddin Ahmed



**Published by**

*Prof. Biswajit Bhuyan, General Secretary,*
Assam College Teachers' Association

**First Edition** : December, 2016
ISBN : 978-81-92178-61-5
Price: Rs. 375.00

Printed at :
Shri Ganesh Printers, Noonmati, Guwahati
Phone : 9707010889

## *OUR HEARTIEST GRATITUDE*

## *TO*

* ACTA and all its dignitaries
* ACTA Kamrup 'B' Zone and all its dignitaries

## OUR SPECIAL THANKS

## TO

Prof. Naren Changmai

Prof. Biswajit Bhuyan

Prof. Sheikh Hedayatullah

Prof. Himangshu Maral

Dr. Balendra Kr. Das

Dr. Khagesh Sen Deka

Dr. Dulumoni Goswami

Prof. Noor Alom

Prof. Habibur Rahman

Dr. Hazrat Ali

Dr. Taijuddin Ahmed

Dr. Malabika Roy

Dr. Jogesh Deka

Dr. Barnali Deka

Dr. Anjanjyoti Borah

# নিম্নবৰ্গ অধ্যয়ন আৰু নিৰুপমা বৰগোহাঞিৰ 'অভিযাত্ৰী'— এটি পৰীক্ষামূলক প্ৰযত্ন

*ড° সাবিত্ৰী শইকীয়া*

১.০০ ঃ 'Subaltern' নৱতম মাৰ্ক্সীয় আলোচনাত এই শব্দৰ ব্যৱহাৰ ইটালীৰ কমিউনিষ্ট নেতা আৰু দাৰ্শনিক এণ্টনিঅ' গ্ৰামছি (১৮৯৯— ১৯৩৭)ৰ বিখ্যাত 'কাৰাগাৰৰ নোটবহী'ত পোৱা যায়।[১] উল্লেখযোগ্য যে ১৯২৯ চনৰ পৰা ১৯৩৫ চনলৈ মুছোলিনীৰ কাৰাগাৰত বন্দী অৱস্থাত লিখা বাবে চেন্সৰৰ শেনদৃষ্টি এৰাবলৈ প্ৰচলিত মাৰ্ক্সীয় পৰিভাষাৰ সলনি প্ৰতিশব্দ বিশেষ উদ্ভাৱন কৰিবলগীয়া হৈছিল- মাৰ্ক্সবাদৰ সলনি 'প্ৰাক্সিচৰ দৰ্শন' আৰু প্ৰলেটাৰিয়েটৰ সলনি চাবঅলটাৰ্ণ (Subaltern)। এই বিন্যাসক গ্ৰামছিয়ে এটি সামাজিক সম্পৰ্কৰ প্ৰক্ৰিয়াৰ মাজত দেখুৱাইছে, যাৰ এটি মেৰুত অৱস্থিত প্ৰভুত্বৰ অধিকাৰী ডমিনাণ্ট শ্ৰেণী আৰু আনটি মেৰুত যি অধীন চাবঅলটাৰ্ণ শ্ৰেণী।[২] গ্ৰামছিৰ ইংগিতবোৰ অনুসৰণ কৰি 'নিম্নবৰ্গ' ধাৰণাটি উদ্ভৱ। কিন্তু তাৰ প্ৰয়োগ আৰু চিন্তা কৰা হৈছে ভাৰতবৰ্ষৰ সমাজ ইতিহাসৰ ক্ষেত্ৰত। ইয়াৰ ফলত মাৰ্ক্সীয় তত্ত্ব আৰু বিশ্লেষণ পদ্ধতিত কেইটিমান নতুন সম্ভাৱনাৰ সৃষ্টি হৈছে।[৩]

ইতিহাস চৰ্চাক আলোড়িত কৰাত সমাজ-বিজ্ঞান, ভাষা-সাহিত্য শিল্প

চৰ্চাৰে এই অধ্যয়নৰ গুৰুত্ব ভাৰতৰ বাহিৰে দক্ষিণ এছিয়া, লেটিন আমেৰিকা, আফ্রিকা আদি দেশলৈ বিস্তাৰিত আৰু নিজস্ব গোষ্ঠীৰে গোষ্ঠীভুক্ত হৈ আহিছে। ভাৰতত চাবঅলটাৰ্ণ ইতিহাস চৰ্চাৰ অগ্ৰণী এই গোষ্ঠীৰ ভিতৰত জ্ঞানেন্দ্র পাণ্ডে, গৌতম ভদ্ৰ, ডেভিদ হাৰ্ডিমান, ৰণজিৎ গুহ, শাহিদ আমিন, পাৰ্থ চট্টোপাধ্যায় ইত্যাদিৰ নামেৰে আৰম্ভ কৰিব পাৰি।[৪] ৰণজিৎ গুহই Subaltern ৰ বাংলা প্ৰতিশব্দ ‘নিম্নবৰ্গ’ৰে আখ্যায়িত কৰিছে।[৫] ‘তলৰ পৰাই চোৱা’ বা নিম্নবৰ্গৰ দৃষ্টিভংগীৰে ইতিহাসৰ সমান্তৰালকৈ পাঠকক নতুনকৈ ইতিহাস ৰচনাৰ প্ৰয়োজনীয়তাৰ প্ৰচেষ্টা এক অভিনৱ আৰু বাস্তৱায়িত সত্যৰ ওচৰ চপা ব্যাখ্যা হ'লেও এই চৰ্চা কিছুমান ক্ষেত্ৰত অতি সৰলীকৰণ আৰু অস্পষ্ট হোৱা দেখা যায়।[৬]ক্ষমতাশীল উচ্চবৰ্গৰ দ্বাৰা নিম্নবৰ্গৰ নিৰ্মাণ -ইয়াৰ নিদৰ্শন বিচাৰি ইতিহাসৰ হাজাৰ হাজাৰ দলিলৰ পাঠোদ্ধাৰৰ প্ৰচেষ্টা চলিল। ইয়াৰ ওপৰত ভিত্তি কৰি ক্ষমতাবান শ্ৰেণীৰ মতাদৰ্শ প্ৰতিষ্ঠাৰ প্ৰভাৱী বাগধাৰা নিৰ্মিত হ'ল আৰু যাৰ দ্বাৰাই ‘নিম্নবৰ্গৰ নিৰ্মাণ’ এই প্ৰশ্নটি মূৰ দাঙি উঠিল ঔপনিৱেশিক ভাৰতৰ ভিন্ন দৃষ্টিকোণত।

যেনে— ঔপনিৱেশিক শাসনযন্ত্ৰৰ প্ৰসাৰ, ইংৰাজী শিক্ষা, তথাকথিত নৱ জাগৰণ, জাতীয়তাবাদৰ উন্মেষৰ লগে লগে চৰ্চিত হ'ল— আধুনিক ৰাষ্ট্ৰ আৰু সমাজ ব্যৱস্থাৰ বিভিন্ন প্ৰতিষ্ঠান স্কুল, কলেজ, সংবাদপত্ৰ, প্ৰকাশন সংস্থা, চিকিৎসালয়, ডাক্তৰ, চিকিৎসাব্যৱস্থা, জনসংখ্যা গণনা, ৰেজিষ্ট্ৰেশ্যন, লাইচেন্স, আধুনিক শিল্প উৎপাদনৰ দৈনন্দিন শ্ৰম সংগঠন, বিজ্ঞান সংস্থা, গৱেষণাগাৰ ইত্যাদি।[৭]

এনেদৰেই আমি পাই আহিছো নিম্নবৰ্গ ধাৰণা সম্পৰ্কে গ্ৰামছি নিৰ্দেশিত ভাৰতীয় প্ৰেক্ষাপটত ভাৰতীয় লেখকৰ বিচাৰ বিশ্লেষণ। আৰু তাৰ পৰাই আৰম্ভ হৈছে ইতিহাস— সমাজ বিজ্ঞানৰ ভিন্ন প্ৰেক্ষাপটত সুদূৰ প্ৰসাৰী অভিনৱ প্ৰয়োগ।

**১.০১ ঃ** নিম্নবৰ্গ অধ্যয়নৰ তিনিটা সামাজিক ৰাজনৈতিক বিষয় - সাম্প্ৰদায়িকতা, জাতিভেদ প্ৰথা আৰু মহিলাৰ সামাজিক অৱস্থান সংক্ৰান্ত আলোচনাত প্ৰতিষ্ঠিত জাতীয়তাবাদী আৰু বামপন্থী ৰাজনৈতিক গোষ্ঠীসকলৰ পাৰস্পৰিক বিতৰ্কত নিম্নবৰ্গীয় ৰাজনৈতিক দৃষ্টিকোণৰ পৰা নতুন মাত্ৰা যোগ কৰা হৈছে।

প্ৰথমতে, সাম্প্ৰদায়িকতা সম্পৰ্কত অধিকাংশ আলোচনা দুটি বিবাদমানগোষ্ঠী যেনে— হিন্দুত্ববাদী আৰু চেকুলাৰপন্থীৰ মাজত চলি আহিছে। এই বিতৰ্ক কোনো অৰ্থতে আধুনিকতা বনাম পশ্চাদপদতাৰ কাজিয়া নহয়। দুয়ো সমানভাৱে আধুনিক ৰাষ্ট্ৰ ব্যৱস্থাৰ অংগীভূত । দ্বিতীয়তে দুই পক্ষতে আধুনিক ৰাষ্ট্ৰ ক্ষমতা বিস্তাৰত দুইধৰণৰ কৌশল অৱলম্বন কৰাৰ চেষ্টা চলি আহিছে। দুয়ো উচ্চবৰ্গীয়, কিন্তু নিম্নবৰ্গৰ নিৰ্মাণো দুই ধৰণৰ। তৃতীয়তে, নিম্নবৰ্গই এই দুয়ো আধিপত্যৰ সন্মুখত নিজৰ ধৰণে, বিভিন্নভাৱে তাৰ মুখামুখি হ'বলৈ চেষ্টা কৰিছে। দৰিদ্ৰ আৰু শোষিত হ'লেই সাম্প্ৰদায়িক শক্তিৰ বিৰোধী আৰু চেকুলাৰ ৰাজনীতিৰ সমৰ্থক হ'ব সেই অতিসৰল সিদ্ধান্তক নিম্নবৰ্গৰ ঐতিহাসিকে প্ৰথমেই বিতাড়িত কৰে।

দ্বিতীয় বিষয়টি হ'ল জাতিভেদ প্ৰথা। মণ্ডল কমিছন বিৰোধী আন্দোলনৰ পিছত এই বিষয়ে তুমুল হৈ চৈ হৈছে। বাগধাৰা হিচাপে চোৱাৰ ফলত সাম্প্ৰতিক ৰাজনীতিত জাত-পাত লৈ এটি দিশ স্পষ্ট হোৱা দেখা গৈছে। আধুনিক ৰাষ্ট্ৰব্যৱস্থাৰ বিভিন্ন গোষ্ঠীৰ অৱস্থানক লৈ আলোচনা হৈছে। তথাকথিত সামাজিক ন্যায় প্ৰতিস্থাৰ ক্ষেত্ৰত জাতিগত পৰিচয় গণ্য কৰা বা নকৰাৰ মাজতো উচ্চবৰ্গৰ আধিপত্য বিস্তাৰৰ দুই ধৰণৰ কৌশলে কাম কৰে। আকৌ নিম্নবৰ্গই তেওঁলোকৰ সামাজিক আধিপত্য আৰু মৰ্যাদাৰ প্ৰতিষ্ঠাৰ বাবে বিভিন্নভাৱে এই ক্ষমতাতন্ত্ৰক বিৰোধিতাও কৰিছে আৰু সুবিধাও লৈছে।

তৃতীয়তে, মহিলাৰ বা নাৰীৰ সামাজিক অৱস্থান সংক্ৰান্ত আলোচনা। পুৰুষশাসিত সমাজত সকলো নাৰীয়ে এক অৰ্থত নিম্নবৰ্গ। কিন্তু সেইবুলি নাৰীৰো কোনো ধৰণৰ শ্ৰেণীগত জাতিগত, সম্প্ৰদায়গত পৰিচয় নাই, এইটো সত্য নহয়।

সেয়ে নিম্নবৰ্গৰ নিৰ্মাণ বোলোতে পুৰুষশাসিত সমাজত নাৰীৰ অধীনতাও যেনেদৰে বিশ্লেষণৰ বিষয়, তেনেদৰে অন্যান্য ক্ষমতাৰ সম্পৰ্ক, যেনে শ্ৰেণী, জাতি, সম্প্ৰদায় ইত্যাদি কি ধৰণে এই নিম্নবৰ্গীয় নাৰীৰ নিৰ্মাণ আৰু জটিল কৰি তোলে সিও গৱেষণাৰ বিষয়। সাম্প্ৰতিক বিতৰ্কত সমাজ-সংস্কাৰ আৰু বিশেষকৈ নাৰীৰ অধিকাৰ ৰক্ষাৰ বাবে আইনৰ সংস্কাৰ লৈ প্ৰচুৰ আলোচনা চলি আহিছে। কিন্তু সামগ্ৰিক অৰ্থত নাৰীৰ অধীনতা পৰস্পৰ সম্পৰ্কিত হলেও এই দুটি ভিন্ন বিষয় বুলি তুলি ধৰাত ভাৰতৰ নাৰীবাদী ৰাজনীতিৰ বিতৰ্কত নতুন মাত্ৰা যোগ হৈছে।[৮]

১.০২ ঃ উচ্চবৰ্গ আৰু নিম্নবৰ্গৰ শ্ৰেণীত নাগৰিকসকলৰ কেনেদৰে বিচাৰ কৰা হৈছে তাৰ আলোচনাত পোৱা যায়— উচ্চবৰ্গৰ ভিতৰতে ইংৰাজ শাসিত ভাৰতবৰ্ষত প্ৰভুশক্তিৰ অধিকাৰী দেশী আৰু বিদেশীসকলক কৰিব পাৰি। বিদেশীৰ ভিতৰত চৰকাৰী আৰু বেচৰকাৰী এই দুই শ্ৰেণী আছে। তাৰ ভিতৰত বিদেশী চৰকাৰী শ্ৰেণীটো হ'ল ঔপনিবেশিক ৰাষ্ট্ৰৰ অভাৰতীয় কৰ্মচাৰী আৰু ভৃত্যসকলো। বেচৰকাৰী শ্ৰেণী হ'ল বিদেশীসকলৰ মাজত যিসকল উদ্যোগপতি ব্যৱসায়ী, অৰ্থব্যৱসায়ী,খনিৰ মালিক, জমিদাৰ, নীল, চাহ বা এই জাতীয় খেতিৰ মালিক কৰ্মচাৰী, খ্ৰীষ্টান-মিছনেৰী যাজক, পৰিব্ৰাজক ইত্যাদি।

দেশী প্ৰভুশ্ৰেণীৰ ভিতৰত সৰ্বভাৰতীয় আৰু আঞ্চলিক বৃহত্তম সামন্ত শ্ৰেণী, শিল্প বাণিজ্য শক্তিমান বুৰ্জোৱা আৰু ঔপনিৱেশিক আমোলত বা শাসনকালৰ সকলোতকৈ উচ্চ পদাধিকাৰসকল। আকৌ দেশী প্ৰভূ গোষ্ঠীৰ আঞ্চলিক বা স্থানীয় প্ৰতিভূসকল হ'ল— ভূস্বামী ধনী খেতিয়ক (উচ্চ-মধ্যবিত্ত) আদি যিয়ে উচ্চ বৰ্গৰ স্বাৰ্থৰ হৈ কাম কৰে। নিম্নবৰ্গৰ ভিতৰত বাকী থকা চহৰৰ শ্ৰমিক আৰু দৰিদ্ৰ মধ্যবিত্ত আমোলা গাঁৱৰ কৃষক-বনুৱা, দৰিদ্ৰ খেতিয়ক, দৰিদ্ৰ প্ৰায় লোকৰ উপৰি বিত্তহীন মাটিৰ মালিক, দুখীয়া অৱস্থাৰ গাঁওবাসী, মধ্যবিত্ত কৃষক ইত্যাদি । অৱশ্যে এওঁলোকে সময়ত উচ্চবৰ্গৰ হৈ কাম কৰে; সেয়ে এওঁলোকৰ ভূমিকা স্পষ্ট নহয়।[৯] এই উচ্চবৰ্গ আৰু নিম্নবৰ্গৰ ধাৰণা বা সংজ্ঞা নিৰ্ণয়ৰ মূলত আছে ক্ষমতা। প্ৰভূত্ব আৰু অধীনতাৰ মাজত সম্পৰ্ক। ....আনহাতে, এই দুটি শব্দ শাসক বা শোষিত শ্ৰেণীৰ প্ৰতিশব্দ হিচাপে সকলো ক্ষেত্ৰতে ব্যৱহাৰ নহয়। [১০]

১.০৩ ঃ এনে বিষয়ৰ ভিন্নতা আৰু শ্ৰেণীগত অৱস্থানৰ চিত্ৰৰে গ্ৰামছিৰ নৱতম মাৰ্ক্সীয় আলোচনাৰ আধাৰত যোৱা বিশ বছৰৰ পৰা ভাৰতত নিম্নবৰ্গৰ অধ্যয়ন (Subaltern Studies) নামৰ ইতিহাস চৰ্চাৰ লগতে সমাজ বিজ্ঞান, ৰাজনীতি, সংস্কৃতিৰ ভিন্ন বিভাগৰ পুংখানুপুংখৰ History from below দৃষ্টিভংগীৰে নতুনকৈ আলোচনা-পৰ্যালোচনা চলি আহিছে এচাম বিজ্ঞ মহলত।বিশ্বৰ নৱতম কলা-সাহিত্য-সংস্কৃতিৰ ভিন্ন বাগধাৰাৰ লগতে বিশেষকৈ নাৰীবাদৰ লগতো ইয়াৰ প্ৰাসংগিকতাই এই বাগধাৰাত (Discourse) ভিন্ন মাত্ৰা প্ৰদান কৰিছে। ইয়াৰ ফলশ্ৰুতিত চাবঅলটাৰ্ণ ষ্টাডিজৰ প্ৰথম পৰ্বত এলানি গৱেষণামূলক প্ৰবন্ধৰ সংকলন প্ৰকাশ পাইছিল। তাত উল্লেখনীয় বহু

লেখাৰ উপৰিও মাৰ্ক্সবাদী, নাৰীবাদী, সংযুতিবাদী, ঔপনিৱেশবাদৰ সমালোচক জৰ্জিয়াৰ Emoory universityৰ ইংৰাজীৰ প্ৰফেচৰ, নিৰ্গঠনবাদী ডেৰিদা আৰু De La Grammatologyie গ্ৰন্থৰ ইংৰাজী অনুবাদক, impereaIismৰ প্ৰখ্যাত সমালোচক পণ্ডিত গায়ত্ৰী চক্ৰৱৰ্তী স্পিভাকৰ 'Subaltern Studies Deconstructing Historiography' আৰু 'Can the Subaltern speak' - এই দুটি প্ৰবন্ধই চিন্তাশীল আৰু গভীৰ মননশীল বিতৰ্কৰ ধুমুহা সৃষ্টি কৰা ৰচনা আছিল।তেওঁ কৈছিল— উচ্চবৰ্গৰ ঠাইত নিম্নবৰ্গক বুৰ্জোৱা ইতিহাসৰ নায়ক বা সাৰ্বভৌম কৰ্তা হিচাপে দেখুৱাতকৈ ঐতিহাসিকে নিম্নবৰ্গৰ প্ৰতিনিধিত্বহে কৰিছে মাত্ৰ। ইতিহাসৰ নায়ক হিচাপে প্ৰচলিত উচ্চবৰ্গৰ সত্বাক নিম্নবৰ্গৰ ঐতিহাসিকে প্ৰত্যহ্বান জনাই তাৰ ঠাইত নিম্নবৰ্গক নায়ক কৰাৰ প্ৰয়োজন নাই। কাৰণ, ইতিহাসৰ যে কোনো এক শক্তি আছে, বিশুদ্ধ পূৰ্ণাৱয়ব চেতনা আছে তাকো এই ঐতিহাসিকে গৱেষণাৰ মাধ্যমেৰে প্ৰত্যাহ্বান জনাইছে। গতিকে নিম্নবৰ্গৰ ঐতিহাসিকে নিম্নবৰ্গকে ইতিহাসৰ পাতত থিয় কৰাইছে। নিম্নবৰ্গই নিজৰ কথা কেতিয়াও ক'ব নোৱাৰে। আকৌ কৈছে যে, 'সকলোতকৈ ওপৰত নিম্নবৰ্গই সত্য'— এই মন্ত্ৰ আওৰোৱাতকৈ নিম্নবৰ্গৰ ঐতিহাসিকৰ প্ৰয়োজন উচ্চবৰ্গতকৈ অন্য হিচাপে নিম্নবৰ্গক কিদৰে নিৰ্মাণ কৰা হয় সেই প্ৰক্ৰিয়াবোৰ আৰু গভীৰকৈ অনুসন্ধান কৰা প্ৰয়োজন। ইতিহাসৰ দলিলত যি কণ্ঠস্বৰেই নুশুনো কিয়, সেয়া নিম্নবৰ্গৰ নহয়, অন্যৰ নিৰ্মাণ। এই নিৰ্মাণৰ সামাজিক পদ্ধতিবোৰ কি, কোন কোন প্ৰতিষ্ঠানৰ ভিতৰেদি সেয়া তৈয়াৰ হয়, কোন প্ৰতিষ্ঠানৰ মাজেৰে সি ব্যাপক সামাজিক স্বীকৃতি পায়, সেই সকলো প্ৰক্ৰিয়াৰ আৱিষ্কাৰ কৰাই নিম্নবৰ্গৰ ঐতিহাসিকৰ সকলোতকৈ গুৰুত্বপূৰ্ণ কাম।[১১]

কিন্তু এই প্ৰসংগত ক'ব পাৰি নিম্নবৰ্গ অধ্যয়নত শ্ৰমিক, কৃষক, নিম্নমধ্যবিত্ত, গাঁও আৰু চহৰৰ দৰিদ্ৰ জনতাৰ ওপৰিও ইতিহাস চিন্তাত অনুপস্থিত আদিবাসী, নিম্নবৰ্গ আৰু নাৰীৰ ভূমিকাওঁ-- বিশেষ ভাৱনা চিন্তাৰে লিখা উচিত। ...আমি এনে ইতিহাসো বিচাৰো যাৰ মাজত নাৰী অতীত সমাজৰ তথ্য কণিকা মাত্ৰ নহয়, যাৰ মাজত ঐতিহাসিক সত্য বুলি স্বীকৃতি আছে।[১২]

এনেদৰে চাবঅলটাৰ্ণ ষ্টাডিজৰ ধাৰাবাহিকতাত আমি বিভিন্ন তত্ত্বমূলক মননশীল আৰু চিন্তা উদ্ৰেককাৰী অভিনৱ মৌলিক লেখা পাওঁ History from below দৃষ্টিৰে। যেনে -ঔপনিৱেশিক ভাৰতৰ গান্ধী, দলিত শ্ৰেণী - আদিবাসী

সমাজত দেৱী, অসুৰ আদি সম্পৰ্কে থকা বিশ্বাস, আদিবাসী জনসংস্কৃতি, আদিবাসী বিদ্ৰোহ, কৃষক বিদ্ৰোহ, জাতিভিত্তিক সংৰক্ষণ, সুৰাৰ প্ৰভাৱ, বনানীকৰণ আৰু সামাজিক প্ৰতিবাদ আৰু ভাষাৰ নিয়ন্ত্ৰণ, সংযুক্তিবাদ, আধুনিকৰণ, উত্তৰ আধুনিকতা আদি সম্পৰ্কে লেখা প্ৰাজ্ঞ লেখকৰ ৰচনাসমূহ।

সাম্প্ৰতিক ভাৰতৰ নাৰীবাদী ৰাজনীতিৰ বিতৰ্কত নাৰীৰ অধীনতা সম্পৰ্কত সমাজ-সংস্কাৰ আৰু বিশেষকৈ নাৰীৰ অধিকাৰ ৰক্ষাৰ বাবে আইনৰ সংস্কাৰ এই দুটি ভিন্ন বিষয় বুলি তুলি ধৰাত নতুন মাত্ৰাৰে প্ৰচুৰ আলোচনা চলি অহা সময়তে সেয়ে নিম্নবৰ্গৰ নিৰ্মাণত পুৰুষশাসিত সমাজত নাৰীৰ অধীনতাৰ বিশ্লেষণত ক্ষমতাৰ সম্পৰ্ক— যেনে - শ্ৰেণী, জাতি, সম্প্ৰদায় ইত্যাদিয়ে নিম্নবৰ্গীয় নাৰীৰ নিৰ্মাণ কিদৰে জটিল কৰি তোলে গৱেষণাৰ বিষয় হিচাপে সি অধিক গুৰুত্বপূৰ্ণ সম্ভাৱনীয়তা দাবী কৰে ।

১.০৪ ঃ বিংশ শতিকাৰ শেষ দশকটোত অসমীয়া সাহিত্যত নিৰুপমা বৰগোহাঞিৰ 'অভিযাত্ৰী' প্ৰকাশিত হয়। সমাজৰ ভিন্ন অধিকাৰ আন্দোলনক লৈ জীৱন পাত কৰা ঊনবিংশ শতিকাত উত্থিত এগৰাকী আজীৱন সংগ্ৰামী চন্দ্ৰপ্ৰভা শইকীয়ানীৰ জীৱনধাৰাত ৰচিত উপন্যাসখনি নিঃসন্দেহে লেখিকাৰ অভিযানকাৰী লেখনি। উৎস হিচাপে শইকীয়ানীৰ কেইটিমান গল্প, দুখনমান উপন্যাসৰ পাণ্ডুলিপি, প্ৰকাশিত অপ্ৰকাশিত ভিন্ন লেখা চিঠিপত্ৰ আদি কিয়দাংশ সমলৰে লেখিকাই এনে দুঃসাহক বৰণ কৰি অনুপম বিচিত্ৰ নিৰ্মিতি এটি অসমীয়া সাহিত্যলৈ দান কৰিছে।

উপন্যাসখনৰ কলাত্মক দিশ আৰু নিৰ্মাণ কৌশল সম্পৰ্কে উপন্যাসিকাই এনেদৰে কৈছে 'নায়িকা চন্দ্ৰপ্ৰভাৰ ব্যক্তিত্ব উপস্থিতি উপন্যাসখন লিখাৰ সময়ত ইমান ব্যাপকভাৱে অনুভূত হৈ আছিল যে ফলত মই আৰু কোনো কাল্পনিক চৰিত্ৰ সৃষ্টি কৰাৰ প্ৰয়োজনবোধ নকৰিলো। সমালোচক ড° আনন্দ বৰমুদৈয়ে মহাকাব্যসদৃশ উপন্যাসৰ চন্দ্ৰপ্ৰভাক বাৰ্নাড শ্বৰ চেইণ্ট জোৱান বুলি অভিমত প্ৰকাশ কৰিছে।[১৩]

এই আলোচনা 'অভিযাত্ৰী'ৰ কাহিনী, ৰচনা-কৌশল আৰু অন্তৰ্লীন বাৰ্তাক সমাজবিজ্ঞানৰ নতুন চিন্তাৰে দ্বি-মাত্ৰিক নিৰ্মাণশৈলীৰ সন্ধানী প্ৰয়াস মাত্ৰ। জাত-পাত ধৰ্মভিত্তিক পৰাধীন ভাৰতৰ নিম্নবৰ্গৰ প্ৰতিৰোধী শক্তিৰ ক্ষমতা সামাজিক কৰ্তৃত্বস্থাপনৰ সাৰ্বিক প্ৰচেষ্টাৰ বিৰুদ্ধে অৱতীৰ্ণ কৰা হৈছে। ৰাষ্ট্ৰ ক্ষমতাই নিম্নবৰ্গৰ সন্মতি আদায়েৰে সামাজিক কৰ্তৃত্ব স্থাপনক্ষমতায়ন প্ৰক্ৰিয়াত ন্যস্ত ধৰ্মান্তৰিত

কৰোৱা স্কুলৰ প্ৰশাসনৰ বিৰুদ্ধে'তলৰপৰাই চোৱা' দৃষ্টিভংগীৰে এই আলোচনাৰ পাতনি।

নিৰুপমা বৰগোহাঞিৰ 'অভিযাত্ৰী' ৰ নায়িকা চন্দ্ৰপ্ৰিয়া মজুমদাৰৰ মাজত গ্ৰামছিৰ হেগেমনিৰ ধাৰণা আৰু নিম্নবৰ্গ অধ্যয়নৰ দৃষ্টিকোনেৰে নতুন মাত্ৰা এটি যোগ দিবলৈ প্ৰয়াস কৰা হৈছে। পৰাধীন ভাৰতবৰ্ষৰ জাতীয়তাবাদৰ প্ৰেক্ষাপটত বৃটিছ্ ঔপনিবেশিক শক্তিৰ ক্ষমতাৰ সাৰ্বিক কৰ্তৃত্ব স্থাপনৰ বাবে মিছনেৰী সকলৰ আগমন শিক্ষাদানৰ মাজেৰে খ্ৰীষ্টধৰ্ম প্ৰচাৰ-প্ৰসাৰ ইত্যাদি ধাৰণাক পুনৰবাৰ নতুনকৈ চোৱা যায় তেতিয়াহ'লে দেখা পাওঁ সামাজিক কৰ্তৃত্বৰ দিশটো। যিটো ৰাষ্ট্ৰৰ ক্ষমতা দখলৰ সমানেই গুৰুত্বপূৰ্ণ।

সাংস্কৃতিক আধিপত্যৰ বিৰুদ্ধে নিজস্ব চেতনাৰে (এলিট চেতনা নহৈ) তাৎক্ষণিক সিদ্ধান্ত গ্ৰহণ কৰি অত্যাচাৰগ্ৰস্থ নিম্নবৰ্গ নাৰী একমুঠ হৈ গণতান্ত্ৰিকভাবে প্ৰতিৰোধী সংগ্ৰাম গঢ়ি তোলা চন্দ্ৰপ্ৰিয়াৰ নৈতিক সাহস আৰু আত্মবিশ্বাস, সত্য প্ৰতিষ্ঠাৰ অটল আস্থাই এই সংগ্ৰামক সফল কৰিলে। ঘটনাক্ৰমে নগাঁও মিছন স্কুল কৰ্তৃপক্ষই খ্ৰীষ্টধৰ্ম গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰা এগৰাকী ছাত্ৰীক হোষ্টেলৰ কোঠাৰ সলনি গুদামঘৰত স্থান দিছিল। ইতিমধ্যে স্কুলীয়া শিক্ষাৰ ধাউতি পূৰণ কৰিবলৈ চন্দ্ৰপ্ৰিয়াৰ দৰে বহুতো ভিন্নধৰ্মী জাতি-জনজাতিৰ নিম্নশ্ৰেণীৰ ছোৱালীয়ে স্কুলীয়া পাঠ্যপুথি আৰু খ্ৰীষ্টধৰ্মী পাঠৰ ওপৰিও কঠোৰ নিয়মানুবৰ্তিতা, থকা-খোৱা-লোৱাৰ ক্ষেত্ৰত থকা অমানৱীয় আচৰণৰ মুখামুখী হৈছিল। তেতিয়া অন্তৰত প্ৰচণ্ড অসন্তুষ্টি আৰু ক্ষোভ গুমৰি থকা চন্দ্ৰপ্ৰিয়াই প্ৰতিবাদ জনাইছিল—

...'বল গুদাম ঘৰলৈ। চাওঁ তাত মানুহ থাকেনে মাল থাকে। আমাৰ হিন্দু ছোৱালীবোৰক ইহঁতে কি বুলি ভাবে? নিৰ্জীৱ চাউল দালিৰ বস্তা? আমাৰ কোঠালিটোতটো ইমান দিনে সকলোবোৰ হিন্দু ছোৱালীকবস্তা ঠাহ খুৱাই ৰখাদি ৰাখিলে এতিয়া শেষত আচল বস্তাৰ লগতো ৰাখিবলৈ ওলাইছে। আমি সকলো নীৰৱে সহি গৈ আছো বাবে বৰ সাহ বাঢ়িছে ইহঁতৰ। চাওঁ আজি কেনেকৈ আমাৰ ছোৱালীক গুদামঘৰত ৰাখে।'

খ্ৰীষ্টধৰ্মী আৰু হিন্দু ছাত্ৰীৰ মাজত সুবিধাৰ তাৰতম্য দেখি চন্দ্ৰপ্ৰিয়াই গৰজি উঠাতেই ক্ষান্ত নাথাকি হোষ্টেলৰ ছোৱালীবোৰক একত্ৰিত কৰি সাহস গোটাইছিল কৰ্তৃপক্ষই ধৰ্মান্তকৰণৰ বিৰোধিতা কৰা ছাত্ৰীগৰাকীক উচিত স্থান আৰু মান দিয়াৰ

পক্ষে প্রতিবাদ কৰিবলৈ—'মিছ দৌৰ বাপেকৰো সাধ্য নাই ইমানবোৰ ছোৱালীক স্কুলৰ পৰা বাহিৰ কৰি দিবলৈ? আমাক উলিয়াই দিলে নগাঁও চহৰতে এই কথা যেতিয়া ওলাই পৰিব যে,ছোৱালী এজনী খ্রীষ্টান হ'বলৈ অস্বীকাৰ কৰা বাবেই গুদামঘৰত থাকিবলৈ দিয়া হৈছে, তেতিয়া চাৰিওফালে গোলমাল লাগি নাযাবনে? নগাঁও মিছন স্কুলত হিন্দু ছোৱালীক জোৰ কৰি খ্রীষ্টান কৰা হয় এই খবৰ ফাটি ফুটি গ'লে কোন হিন্দুঘৰৰ ছোৱালীক ইয়ালৈ পঢ়িবলৈ পঠিয়াব বাৰু? সেইবাবে বুজিছ, তহঁতে কোনেও ভয় নেখাবি। আমাৰ ভয় খোৱাৰ কোনো কাৰণেই নাই, ভয় খোৱাৰ কাৰণ মিছ লঙহঁতৰহে আছে।' মিছ লঙৰ সম্ভাব্য দুৰ্ব্যৱহাৰ মূৰ পাতি লৈ সিদ্ধান্তটি কৰি পেলাইছিল আৰু মিছ লঙক সাহসেৰে সৈতে কৈছিল..., 'আজি আমাৰ হোষ্টেললৈ অহা ছোৱালী এজনীক গুদাম ঘৰত থাকিবলৈ আদেশ দিয়া হৈছে বুলি শুনিছো। তাইক গুদামৰ মালৰ লগত একে শ্ৰেণীতে ৰখাৰ কাৰণ হেনো তাই আপোনালোকৰ ধৰ্ম গ্ৰহণ কৰিব নুখুজিলে। আমাৰ লগৰ ছোৱালী এজনীৰ পৰা এই শাস্তি প্ৰত্যাহাৰ নকৰিলে আমি আজি বাইবেলৰ ক্লাছ নকৰো।'...

উচ্চবৰ্গৰ প্ৰতিভু মিছন কৰ্তৃপক্ষৰ হৈ মিছ লঙে এই প্ৰতিবাদৰ প্ৰত্যুত্তৰ দিছিল জাতীয় চেতনা, শ্ৰেণী চেতনা আৰু ধৰ্মীয় চেতনাক আঘাত কৰি যি উচ্চ বৰ্গীয় ক্ষমতায়ন প্ৰক্ৰিয়াৰ বাবে স্বাভাৱিক। ইতিমধ্যে আখৰ দুটি শিকাই জ্ঞানচক্ষু

আমাৰে বায়ু-পানীৰে পুষ্ট হৈ আমাৰে পথাৰৰ শস্য উদৰস্থ কৰি

মোকলাই সংস্কৃতি ভাবাদৰ্শৰ জগতত পৰিৱৰ্তনেৰে সামাজিক সন্মতি আদায় কৰিবলৈ চলোৱা সাৰ্বিক কৰ্ত্তৃত্ব স্থাপনৰ প্ৰচেষ্টাত যি আগ্ৰাসী, সেই প্ৰশাসনৰ বাবেও ই স্বতঃস্ফুৰ্ত্ত। মিছ লঙৰ বাক্যত তাৰেই প্ৰতিফলন ঘটিছিল।

তেওঁ কৈছিল— ... খাব নোপোৱা ভাৰতীয়ৰ দল, বেছিভাগৰে পেটত ভাত নাই, পিন্ধিবলৈ কাপোৰ নাই, আশ্ৰয় নাই, শিক্ষা দীক্ষাতো নায়েই। আমিয়ে আহি শিক্ষা প্ৰচাৰ কৰিছো আমিয়ে ভিতৰুৱা অঞ্চললৈ গৈ পশু জীৱন-যাপন কৰা মানুহক সভ্যতাৰ পোহৰ দেখুৱাইছো। তোমালোক খাবলৈ নোপোৱা ভাৰতীয় কেইজনে গুদামঘৰতকৈ ভাল ঘৰত থাকি পাইছা মোক কোৱাছোন? তুমি নিজে কি ৰাজপ্ৰাসাদত থাকি আহিছা, জানো নহয় আচলতে বেছিভাগ ভাৰতীয়ই গুদাম ঘৰতকৈও বেয়াঘৰত থাকে।'

বহুক্ষেত্ৰত ভাৰতীয় জাতীয়তাবাদ এলিট শ্ৰেণীৰ দ্বাৰা নিয়ন্ত্ৰিত আছিল যদিও য'তেই নিম্নবৰ্গৰ অধিকাৰ খৰ্বিত হৈছিল তাতেই বিদ্ৰোহে সৰ্বাত্মক জংগী

ৰূপ লৈছিল।স্বাধীনতা আন্দোলনৰ আহ্বান চন্দ্ৰপ্ৰিয়াৰ অন্তৰত জাগি আছিলেই। সেয়ে তাই ক'ব পাৰিছিল—...'অইন এখন দেশৰ পৰা আহি আমাৰ নিজৰ দেশতে আমাক ইমান অপমানজনক কু-বাক্য শুনাইছে?আমাৰে ভাৰতবৰ্ষত থাকি আমাৰে বায়ু-পানীৰে পুষ্ট হৈ আমাৰে পথাৰৰ শস্য উদৰস্থ কৰি আমাৰে মাটিত আশ্ৰয় স্থল সাজি আমাকে ওলোটাই ইমান ব্যংগ বিদ্ৰূপ, ইমান তুচ্ছ-তাচ্ছিল্য কৰিছে। মেডাম, আপোনাৰ এই অপমানজনক কথাবোৰ প্ৰত্যাহাৰ নকৰিলে আমি কিন্তু ইমান ডাঙৰ আন্দোলন কৰিম যে তাৰপিছত আৰু আপোনালোকে মুখেৰে ইয়াত মিছন স্কুল চলাই যাব নোৱাৰিব, নিজৰ দেশলৈ পলাই যাবলৈ বাধ্য হ'ব।...'অৱশেষত প্ৰশাসনক মান্তি কৰোৱা হৈছিল দুটা দাবী পুৰণ কৰিবলৈ—

ক। 'ভাৰতীয় সকল গুদাম ঘৰতকৈ বেয়া ঘৰত থাকে' বোলা কথাষাৰ উঠাই লোৱা।

খ।'নিৰ্যাতিতা ছোৱালীগৰাকীক লগৰীয়াৰ সৈতে বেলেগ কোঠাত থাকিবলৈ দিয়া।

এইখিনিতে গ্ৰামছিৰ আলোচনাই দেখুৱায়, সংস্কৃতি বা ধৰ্ম বিশ্বাসৰ ক্ষেত্ৰত সাধাৰণভাৱে লোকসংস্কৃতি যদিও প্ৰতিষ্ঠানিক ধৰ্মৰ চাপত ভাৰাক্ৰান্ত হৈ থাকে, তৎস্বত্বেও (Subaltern) শ্ৰেণীবোৰে তেওঁলোকৰ নিজৰ বাস্তব অভিজ্ঞতা আৰু প্ৰয়োজন অনুযায়ী সেই প্ৰাতিষ্ঠানিক সংস্কৃতিৰ কিছু কিছু উপাদানক মাত্ৰ বাছি নিয়ে সকলোবোৰ নিনিয়ে। ।ফলত ধৰ্মীয় জীৱনৰ সাৰ্বিক প্ৰাতিষ্ঠানিক চেহেৰাৰ মাজতো একেধৰণৰ স্তৰ বিন্যাসে দেখা দিয়ে।শাসক শ্ৰেণীৰ ধৰ্মবিশ্বাস প্ৰাতিষ্ঠানিক দিশৰ পৰা একে হ'লেও তেওঁলোকৰ আকাৰ আৰু চৰিত্ৰ পৃথক আনকি বিৰোধী ৰূপো ধাৰণ কৰিব পাৰে। এই বিৰুদ্ধতাৰ পৰা জন্ম লয় 'চাবঅলটাৰ্ন' শ্ৰেণীৰ প্ৰতিৰোধ, যি বহুসময়ত ক্ষমতাশীল শ্ৰেণীবোৰক বিপদত পেলাবলৈ সক্ষম হয়।[১৪]

মিছন স্কুল কৰ্তৃপক্ষই জনজাতীয় আৰু নীহকুলীয়া হিন্দুধৰ্মী ছোৱালীক খ্ৰীষ্ট ধৰ্মান্তৰিত কৰাত পাৰ্থক্য নিশ্চয় আছিল।

বেছিভাগ ছোৱালীয়ে ইংৰাজী শিক্ষাৰ বাবেহি মিছন স্কুলত ভৰ্ত্তি হৈছিল, বাইবেলৰ জৰীয়তে বিশ্বমানৱতাৰ জ্ঞান লাভ আৰু অন্যান্য আনুষ্ঠানিক শিক্ষাই দিয়া সাংস্কৃতিক কাৰ্যকলাপৰ শিক্ষাগ্ৰহণ লগৰীয়া আছিল। কিন্তু ধৰ্মান্তকৰণ প্ৰচণ্ড অনিচ্ছা সত্বেও অসন্তুষ্টিৰ মাজেৰে হোৱা বিন্যাসত বলিৰ পঠা সদৃশ ৰূপটো চন্দ্ৰপ্ৰিয়াই এনেদৰে বৰ্ণনা কৰিছে

...'কলঙৰ চেঁচা পৰশ, পুনিৰ পাত, শিপা, গাৰ অ'ত ত'ত লাগিও থাকে। তেনেকৈয়ে সিহঁতক কলঙৰ অপৰিষ্কাৰ পানীত ডুবাই পৱিত্ৰ কৰা হয় আৰু তাৰ পিছতহে খ্ৰীষ্ট ধৰ্মৰ যথাবিহিত আচাৰ অনুষ্ঠানেৰে সিহঁতক দীক্ষা দিয়া হয়।'...

...'এওঁলোকৰ বাবে ধৰ্মতকৈ ধৰ্মৰ আচাৰ ব্যৱহাৰ যেন বেছি ডাঙৰ কথা, গুণগত কথাতকৈ সংখ্যাগত কথাতহে বেছি প্ৰাধান্য দিয়ে।'

চন্দ্ৰপ্ৰিয়াই লগৰীয়াৰ লগত মিছনাৰীৰ ধৰ্মান্তকৰণ প্ৰক্ৰিয়াত বাধা দিব পৰা নাছিল যদিও প্ৰতিবাদ জনাইছিল অন্য খ্ৰীষ্টধৰ্মী ছাত্ৰীৰ সমানে সুবিধা যেনে— থকা-খোৱা-লোৱাৰ সমান স্বত্ব দাবী কৰি লাভ কৰিব পাৰিছিল কিছু দুৰ হ'লেও।

স্বদেশী এলিট শ্ৰেণীৰ দ্বাৰা এই ধৰ্মান্তকৰণ প্ৰক্ৰিয়াৰ প্ৰতিক্ৰিয়াৰ উমান এনে প্ৰতিষ্ঠিত সাহিত্যিক দন্দীনাথ কলিতা দেৱৰ সমকালীন 'সাধনা' উপন্যাসৰ মাজেদি এনেদৰে প্ৰকাশ হৈছে।

'... নিম্ন শ্ৰেণীতকৈ উচ্চ শ্ৰেণী অৱৰোধ প্ৰথাৰ বেছি পক্ষপাতী সেইকাৰণে শিক্ষিতা তিৰোতাৰ বেছিভাগ নিম্ন শ্ৰেণীৰ নাইবা এই দেশী খ্ৰীষ্টানৰ ভিতৰত পৰে। পুৰুষৰ হ'লে উচ্চ শ্ৰেণীৰ ভিতৰতহে বেছি শিক্ষিত। ... পুৰুষৰ শিক্ষা নিজৰ ঠাইত, নিজৰ দেশৰ নিজৰ ধৰ্মৰ তলতেই প্ৰায় আৰম্ভ হয়, কিন্তু স্ত্ৰী শিক্ষাৰ সকলো ঠাইতে সুচল নথকাত ছোৱালীহঁতক হয় ল'ৰাৰ স্কুলত নাইবা বিজাতীয় বিধৰ্মী শিক্ষক-শিক্ষয়িত্ৰীৰ তলত স্থানান্তৰত শিক্ষা দিয়া হয় ধৰা কোনোবা মিছনেৰী স্কুলত।

এই বক্তব্যৰ ভিত্তি আছিল ১৮৫৩ চনত অৰুণোদয়ৰ অক্টোবৰ সংখ্যাত স্বনামধন্য নাৰী শিক্ষাৰ পথিকৃত গুণাভিৰাম বৰুৱাই 'এজন অচমিয়া লোক' ছদ্মনামৰ চিঠিখনত থকা কেইশাৰীমান বিশেষ বাক্যৰ প্ৰতিক্ৰিয়াশীল অৰ্থ গ্ৰহণৰ মানসিকতা যি তেওঁৰ বাবে অবাঞ্চনীয়। 'চিঠিখনত স্ত্ৰী-পুৰুষ দুয়োকে সমানে শিক্ষাগ্ৰহণ কৰাৰ কথা কৈ ঈশ্বৰে দুয়োকে সমানে জ্ঞান-বুদ্ধি দিছে বাবে সমানে বিদ্যাও অৰ্জন কৰিব লাগে বুলি কৈছে। মিছনেৰী শিক্ষা প্ৰচাৰৰ কাৰ্যসূচীয়ে স্ত্ৰী-পুৰুষ ওভয়কে সাঙুৰি লোৱাৰ ফলত উচ্চ বংশৰ ছোৱালী খ্ৰীস্টান স্কুললৈ পঠাবলৈ অনিচ্ছাৰ কাৰণে মিছনেৰীৰ মহিলাসকলে জাতযোৱা ছোৱালীক আনি লেখা-পঢ়া শিকোৱাৰ ব্যৱস্থা কৰিব লগা হৈছিল। বজৰুৱা ছোৱালীক ধৰি আনিও স্কুল ভৰ্ত্তি কৰোৱাটো বিৰল নাছিল।' [১৫]

নিম্নবৰ্গ নাৰীৰ শিক্ষা সম্পৰ্কত উচ্চবৰ্গৰ প্ৰতিভূ লেখকৰ এনে ওপৰে

ওপৰে দেখা বিৰূপ প্ৰতিক্ৰিয়া সেই সময়ৰ শিক্ষিত কিছুমানৰ বাবে স্বাভাৱিক আছিল। কিন্তু চাবঅলটার্ন দৃষ্টিৰে 'history from below'ৰ পৰা চন্দ্ৰপ্ৰিয়াৰ নায্যদাবী প্ৰতিষ্ঠাৰ আন্দোলনমুখী প্ৰচেষ্টা, ধৰ্মান্তিকৰণৰ প্ৰতি আওপকীয়াকৈ হ'লেও কৰা প্ৰতিবাদ আদিয়ে এই দিশত চৰ্চা কৰাৰ বাট মুকলি কৰে। নিম্নবৰ্গৰ প্ৰতিৰোধী শক্তি অৰ্জন - এই বিশেষ বৈশিষ্ট্যই চন্দ্ৰপ্ৰিয়াক মিছন স্কুলৰ যুঁজখনক জিকোৱাই নহয়,ভবিষ্যতলৈ অন্যায়ৰ বিৰুদ্ধে থিয় হোৱাৰ লগতে দহজনকো সমানে আগুৱাই নিব পৰা নেতৃত্বৰ গুণটোৰে লালন কৰিছিল জাতীয়তাবাদী আন্দোলন সামাজিক ভিন্ন সংস্কাৰমূলক আন্দোলন, নাৰীৰ শিক্ষা-কৰ্ম-অধিকাৰ প্ৰতিষ্ঠাৰ আন্দোলনৰ নেতৃত্ব ৰূপটি।

১.০৫ ঃ অস্পৃশ্যতাবাদৰ বিৰোধিতাৰ এটি চিত্ৰ পোৱা যায় কালজিৰাপাৰা সত্ৰৰ কুৱাঁৰ পৰা নিম্নজাতৰ নাৰীৰ পানী তোলাৰ নিষেধাজ্ঞা ভংগ কৰাৰ ক্ষেত্ৰত। লোকেল ব'ৰ্ডৰ কুঁৱা এটিৰপৰা পানী নিবলৈ অহা ছোৱালী এজনীয়ে যেতিয়া পানী নুতুলি ইফালে সিফালে চাই আছিল তেতিয়া চন্দ্ৰপ্ৰভাই তাই কিয় পানী তোলা নাই সোধাত সত্ৰৰ ভকতে জনালে— 'যে তাই নীচ জাতিৰ ছোৱালীতো, সেই বাবে কুঁৱাৰ পানী স্পৰ্শ কৰিব নোৱাৰে। অলপ পিছতে গাঁৱৰ কোনোবা ভাল জাতিৰ ছোৱালী পানী তুলিবলৈ আহিলে তাইৰো কলহ ভৰ্ত্তি কৰি দিব।'...

লোকেল ব'ৰ্ডৰ কুঁৱাৰ পানী সত্ৰৰ কামত ব্যৱহাৰ হোৱা বাবেই সকলোৰে সমান অধিকাৰ থকা পানীখিনিৰ ওপৰত সত্ৰৰ নিষেধাজ্ঞাই চন্দ্ৰপ্ৰভাক আচৰিত কৰি তুলিলে। ...'অ ' আপোনালোকে মহাত্মা গান্ধীৰ নামত ইমানদিনে এই উচ্চ-নীচ জাতিৰ বিচাৰ কৰিহে আন্দোলন কৰিছিল নেকি? জানেনে ইয়াৰ ফলত আপোনালোকে তেওঁৰ নামত কলংক সানিছে? আপোনালোকৰ সত্ৰাধিকাৰ ক'ত আছে? মোক এতিয়াই তেওঁৰ ওচৰলৈ লৈ বলক। আজি মই ইয়াৰ এটা হেস্ত-নেস্ত কৰিহে এৰিম। দৰকাৰ হ'লে একেবাৰে লোকেল ব'ৰ্ডৰ চেয়াৰমেনৰ ওচৰ চাপিম।' শেষত জানিবা সত্ৰাধিকাৰে লাজ পায় কুঁৱাৰ পানী সকলোৰে বাবে মুকলি কৰি দিলে। নিম্নবৰ্গৰ মাজত থকা নাৰীৰে আকৌ জাত -পাতৰ ভেটিত থকা শ্ৰেণীভেদ যাৰ প্ৰতিবাদত অস্পৃশ্যতা নিবাৰণৰ নামত গান্ধীজিৰ আহ্বানতে চন্দ্ৰপ্ৰিয়াই নামি পৰিছিল হাতে- কামে।

১.০৬ ঃ থিক তেনেদৰে বন আইন অমান্য আন্দোলনত নেত্ৰী চন্দ্ৰপ্ৰভাৰ যোগদান যাত্ৰা আৰু হাজোতবাস আদিয়ে ঔপনিবেশিক ক্ষমতাৰ বিৰুদ্ধে ভাৰতীয়ৰ

সংগ্ৰামত নিম্নবৰ্গৰ প্ৰতিৰোধী শক্তিৰ পৰিচয় দিছিল। ভাৰতীয় জাতীয়তাবাদৰ প্ৰেক্ষাপটত অসমৰ জাতীয়তাবাদৰ ইতিহাস পৰ্য্যালোচনা কৰিলে অসম এছোচিয়েছনৰ পৰা অসম ছাত্ৰ সন্মিলনলৈ, প্ৰাদেশিক কংগ্ৰেছ কমিটী, শ্ৰমিক কৃষক নাৰী, সংগঠন আদি ভিন ভিন সংগঠনৰ যৌথ গুৰুত্বপূৰ্ণ ভূমিকা দেখা যায়।

চন্দ্ৰনাথ শৰ্মাকে মুখ্য কৰি অম্বিকাগিৰি ৰায়চৌধুৰী লৈ অসম এছোচিয়েছনৰ ভুমিকা আৰু অসমীয়া মধ্যবিত্তৰ সৰ্বভাৰতীয় চেতনাৰে স্থানীয় সমস্যা সমাধানৰ দাবীত অগ্ৰসৰ হোৱা নতুন পৰিচয়ে দিলে কংগ্ৰেছৰ সৈতে আগুৱাই যোৱা গতি। 'ঔপনিবেশিকশাসনৰ প্ৰেক্ষাপটত দমনমূলক নহৈ কংগ্ৰেছৰ এই আধা আধিপত্যকামী কৌশলৰ ভিত্তি আছিল সীমিত অৰ্থত

আমোলাকেন্দ্ৰিক প্ৰশাসনৰ সাংবিধানিক সংস্কাৰ, শিল্প বিস্তাৰ, সমাজ সংস্কাৰ ইত্যাদি।... প্ৰথম অৱস্থাত ৰেডিকেল জাতীয়তাবাদী বুদ্ধিজীৱি সকলৰ কাৰ্যসুচীৰ দ্বাৰা আৰম্ভ হৈ পৰ্য্যায় ক্ৰমে জাতীয় আন্দোলনে যুৱক সমাজ, নাৰী সমাজ,চহৰীয়া ক্ষুদ্ৰ (Petty) বুৰ্জোৱা, চহৰ আৰু গাঁৱৰ দুখীয়াজন, চহৰীয়া আৰু গাৱলীয়া কাৰিকৰ সংখ্যাগৰিষ্ঠ কৃষক আৰু ক্ষুদ্ৰ মাটিৰ মালিক আদিকো সংগঠিত কৰাত সফল হৈছিল। সামাজিকভাৱে জাতীয় আন্দোলনৰ কালছোৱাত সাম্ৰাজ্যবাদ বিৰোধী শক্তিসমূহে এক গণতান্ত্ৰিক মঞ্চত পৰিণত হৈছিল, কথাটো সাম্প্ৰতিক মাৰ্ক্সবাদী ইতিহাস চৰ্চাই মানি লৈছে।'[১৬]

চন্দ্ৰপ্ৰভাই এই সোঁতত নিজকে এৰি দিছিল অন্তৰত থুপ খাই থকা পৰাধীন ভাৱনাক মুক্তি দিছিল কণ্ঠত সৰস্বতীয়ে বাস লৈছিল—এখনৰ পিছত এখনকৈ সভাৰ পৰা জ্যোতিৰ আহ্বানত ঘোঁৰাত উঠি অধিনায়িকা হোৱালৈ, কৰাচীত কংগ্ৰেছৰ অধিবেশনত যোগদান কৰাৰ পৰা, জেলৰ পিছত জেল খাটি শানত পিটা লোৰ দৰে কঠিন হৈ পৰিছিল সমস্ত সত্তা।জ্যোতিপ্ৰসাদে ঔপনিবেশিক এলিট সংস্কৃতিৰ সমান্তৰালকৈ যিদৰে চহ কৰি গঢ়িছিল দেশীয় মাটি পানীৰে পুষ্ট লোককৃষ্টিৰ পথাৰখন, তেনেদৰে চন্দ্ৰপ্ৰভাইও গাঁৱে গাঁৱে ঘূৰি মহিলা সংগঠন গঢ়ি সমাজৰ দেশ স্বাধীন হ'লেই নাৰীৰো সামাজিক-সাংস্কৃতিক মুক্তি ঘটিব বুলি তেওঁ, তেওঁৰ লগতে মহিলা সংগঠনৰ নেতাসকলৰ প্ৰবল বিশ্বাস গঢ় লৈ উঠিছিল। গিৰিজা বৰুৱাৰ মুখে সেই কথা অভিযাত্ৰীত স্পষ্ট হৈ পৰিছে।

এই গৰাকী চন্দ্ৰপ্ৰভাক গুৱাহাটী জেলত থাকোতে ৰাজনৈতিক আৰু সাধাৰণ

বন্দীৰ মাজত থকা-খোৱাৰ প্ৰভেদ দেখি বিদ্ৰোহী কৰি তুলিছিল। সেয়ে কৰ্তৃপক্ষৰ লগত যুঁজি এই বিষয়ত জয়লাভ কৰিছিল যদিও কংগ্ৰেছী এলিট শ্ৰেণীৰ শ্ৰোতাৰ দ্বাৰা সমাজবাদ প্ৰচাৰ চলোৱা বুলি তেওঁৰ বিৰুদ্ধে সন্দেহ পোষণ কৰা হৈছিল। আৰু তেতিয়াই তেওঁ কংগ্ৰেছৰ ত্ৰুটিসমূহে উদঘাটন কৰিছিল— ...'এই নেতাসকল বাৰু কি মনোবৃত্তিৰ মানুহ? এওঁলোকৰ ৰাজনীতিত মানৱতাবোধ নাই নেকি? সকলো জেলকৰ্মীকে একে খাদ্য দিব লাগে বুলি দাবী কৰা বাবে মই সমাজবাদৰহে আখৰা কৰিলো নেকি? নিজে মতলবী ৰাজনীতি কৰে কাৰণে আনকো তেওঁলোকৰ দৰে মতলব বাজ বুলি ভাবে নেকি? কিবা এটা ভাল কাম কৰিবা অতো উদ্দেশ্য থকা বুলি ভাবি ল'ব— নিঃস্বাৰ্থভাৱে যে কোনোবাই কিবা কাম কৰিব পাৰে এইবোৰ স্বাৰ্থপৰ নেতাই বোধহয় ভাবিবই নোৱাৰে। এনেবোৰ নেতাৰ পৰানো দেশে কি উপকাৰ পাব? এওঁলোকে এনে মনোবৃত্তি লৈ দল পৰিচালনা কৰিলে মোৰ পক্ষেতো তেনে দলত থাকিকাম কৰা টান হ'ব। এ ৰা টান হ'ব ।

১.০৭ ঃ শেষত সমাজবাদী পাৰ্টিত যোগদান কৰি কৃষক সংগঠনৰ কামত দেহে-কেহে লাগি পৰিল ভূমিহীন কৃষকক খেতি-মাটি বিতৰণ আৰু নিৰক্ষৰতা দূৰীকৰণৰ বাবে। সময়ত সভানেত্ৰী হৈ সমবায়ৰ কামো সুচাৰুৰূপে চলাই আছিল যদিও সাংগঠনিক দুৰ্বলতাৰ বাবে সেই দলৰ পৰা আতৰি আহিল।

অৱশেষত কংগ্ৰেছে তেওঁক আদৰি লৈ ১৯৫৭ চনত বিধানসভাৰ নিৰ্বাচনত বজালী অঞ্চলৰ প্ৰাৰ্থীত্ব দিলে। কিন্তু দলীয় সংকীৰ্ণতা আৰু নাৰীৰ প্ৰতি সম অধিকাৰৰ চিন্তা-চেতনাৰ অভাৱেই তেওঁৰ বাবে জিকাটো দূৰূহ হৈ পৰিল যদিওৱা সমকালীন নাৰীসমাজে প্ৰথমবাৰৰ বাবে মহিলাক প্ৰাৰ্থীত্ব দিয়া বিষয়টোত উৎসাহীআৰু অনুপ্ৰেৰণা লভিছিল। কিন্তু নিম্নবৰ্গৰ নাৰী বুলিয়েই নিজিকাতকৈ চন্দ্ৰপ্ৰভাৰ নিঃসঙ্কোচে খোলাখুলিকৈ কংগ্ৰেছৰ আধিপত্যকামী চৰিত্ৰক কৰা সমালোচনা আৰু এই কংগ্ৰেছকে পুষ্ট কৰা উচ্চবৰ্গৰ বুৰ্জোৱা শ্ৰেণীৰ শোষণ - নিৰ্যাতনৰ বিৰুদ্ধে মাত মতা বাবে তেওঁ হাৰি গ'ল। কিন্তু দলীয় ৰাজনীতিত থাকি দেশৰ সেৱা আৰু ভালকৈ কৰিবলৈ আগবঢ়া নিঃস্বাৰ্থ কৰ্মী চন্দ্ৰপ্ৰভাৰ বাবে ৰাজনীতিৰ মেৰপেচ বুজাটো অসম্ভৱ আৰু আপোচ কৰাৰ কৌশলবোৰো জ্ঞাত নোহোৱাত তেওঁৰ কোনো আক্ষেপ নাছিল।এই গৰাকীয়েই পুস্পলতা দাসক লোকসভালৈ পঠিওৱাত আগভাগ লোৱা নাৰীৰ অধিকাৰ প্ৰতিষ্ঠাত উদ্যোগী নাৰী সম্বন্ধে পুষ্পলতা দাসে 'মহিলাসকল ৰাজনীতিলৈ ওলাই নাহিলে দেশৰ

সেৰা সম্পূৰ্ণ নহয়' বুলি চন্দ্ৰপ্ৰভাৰ বক্তব্য দোঁহাৰিছিল। চন্দ্ৰপ্ৰভাই ৰাজনীতিৰ কুটিলতা বুজি নোপোৱা, খোলাকৈ বক্তব্য প্ৰকাশ কৰা, বিপক্ষ দলৰ প্ৰতি মানৱীয়তা দেখুওৱা, দলীয়ৰ পৃষ্ঠপোষকক ন্যস্ত স্বাৰ্থবাদী আখ্যা দিয়াত ভোটহেৰুওৱা দিশসমূহক পুষ্পলতা দাসে চন্দ্ৰপ্ৰভ ক ৰাজনৈতিক কুটনীতিজ্ঞ নহয় বুলি মত প্ৰকাশ কৰিছিল।[১৭]

এইদৰেই চাবঅলটাৰ্নৰ অধ্যয়নৰ দৃষ্টিভংগীৰ পৰা চন্দ্ৰপ্ৰভাৰ চৰিত্ৰ আৰু নিম্নবৰ্গৰ সামূহিক প্ৰতিৰোধ আন্দোলনত যোগদান আৰু নেতৃত্বদান বিষয়টো আলোচনা কৰাৰ অন্তত এই কথাই প্ৰতীয়মান হৈছে যে, এই গৰাকী ব্যক্তিৰ এনে কৰ্মৰ উত্তৰণত পাওঁ নিম্নবৰ্গ শ্ৰেণীভূক্ত সমাজৰ অৱহেলিত নিম্ন জাতি সম্প্ৰদায়ভূক্ত নাৰীৰ সাংগঠনিক ভেটিত সামাজিক স্থান আৰু মানৰ উন্নতিৰ বাবে জীৱনৰ শেষ দিনটোলৈ কৰা অক্লান্ত শ্ৰম। প্ৰথমতে ই দেশপ্ৰেমৰ দাবীত জাতীয়তাবাদী আন্দোলনৰ পৰা আৰম্ভ হৈ অৱহেলিত নাৰীৰ মুক্তিৰ বিষয়টো স্বাধীনতা লাভতো উপেক্ষিত হোৱাৰ দিশটো উদ্‌ঘাটন কৰি পিছলৈ এইসকলক সংগঠিত কৰি স্বকীয়ভাৱে শ্ৰেণীগত কল্যাণকামী ব্যৱহাৰিক কাৰ্যপন্থাৰে সামাজিক স্থান-মানক উন্নীত কৰাৰ প্ৰচেষ্টাত অৱতীৰ্ণ হৈ পৰিল। নিঃসন্দেহে মহিলা সংগঠন কৰোতে এলিট শ্ৰেণীৰ সহযোগিতা তেওঁৰ পাথেয় আছিল যদিও ব্যতিক্ৰমী চৰিত্ৰৰ অসমৰ মুথুলেথ্থি ৰেদ্দি চন্দ্ৰপ্ৰভাই হৰিজন আৰু দুৰ্গতাৰ বাবেই সময়ত বহু সদস্যাৰ ব্যংগৰ সন্মুখীনো হৈও সময়ত অকলেই যুঁজ কৰিছিল।

**১.০৮ঃ** গান্ধী মহাৰাজাৰ তিৰোতা আখ্যায়িত চন্দ্ৰপ্ৰভা অসাংগঠনিকভাৱে অন্যায়ৰ প্ৰতিবাদী মন এটালৈ ওলাই আহি স্বাধীনতা আন্দোলনে সেই আত্মিক শক্তিৰ গতি পোনাই পুৰুষ মহিলাক ৰাজনৈতিক অধিকাৰ আন্দোলন আৰু সামাজিক সংস্কাৰমুখীকৈ গঢ়ি তোলালৈ সাংগঠনিকযাত্ৰা অব্যাহত আছিল। স্বাধীনতা লাভে সমাজৰ অৱহেলিত নিম্নবৰ্গ নাৰীৰ কল্যাণ আৰু মুক্তি অনাৰ স্বপ্ন ভংগই আহত কৰা চন্দ্ৰপ্ৰভাই বেলেগাই অসমৰ চুকে কোণে মহিলা সংগঠনৰ প্ৰসাৰ আৰু শক্তিশালী

কৰাত ৰাইজৰ সাহাৰ্য্যকে পাথেয় কৰি অগ্ৰসৰ হৈছিল। আদৰ্শ গান্ধীপ্ৰদৰ্শিত নাৰী মুক্তিৰ ধাৰণা হ'লেও ইয়াক পুষ্ট কৰিছিল সমকালীন ঊনবিংশৰ বিশ্বৰ নাৰী মুক্তি আন্দোলনৰ পৰিকাঠামোগত অধিকাৰ ভিত্তিত মৌল দাবীসমূহ — শিক্ষাৰ অধিকাৰ, স্বাৱলম্বীতাৰ অধিকাৰ, নিৰ্বাচনত অংশগ্ৰহণৰ অধিকাৰ, নাৰীৰ ওপৰত

থকা সকলো প্ৰকাৰৰ সামাজিক কুসংস্কাৰ, অন্ধবিশ্বাস, অন্যায় -অসাম্যৰ বিৰুদ্ধে থিয় দি নাৰী পুৰুষৰ সম-অধিকাৰৰ দাবী তোলা, সন্তানৰ অভিভাৱকত্বৰ অধিকাৰ, উচ্চ শিক্ষাৰ অধিকাৰ, সম্পত্তিৰ অধিকাৰ, আত্মসন্মান অক্ষুন্ন ৰখাৰ অধিকাৰ, বিবাহ বিচ্ছেদৰ অধিকাৰ আদি আদৰ্শ আৰু কৰ্ম প্ৰেৰণা। প্ৰাথমিক শিক্ষা গ্ৰহণ কৰিয়েই স্কুল চলোৱাৰ পৰা আৰম্ভ হৈ বাছ চলোৱা আৰু সৰিয়হ বেপাৰলৈ মন মেলা চন্দ্ৰপ্ৰভাৰ জীৱন সংগ্ৰাম অবৰ্ণনীয় যন্ত্ৰণাৰে ভৰা। ভগ্নী ৰজনীপ্ৰভাৰ জীৱনৰ অকাল গতি, পিতৃ-ভিঠা হেৰুৱাৰ দুখ, ভাগিনীৰুক্মিনীৰ সংসাৰৰ ছন্দপতন, পিতৃ পৰিচয় অবিহনে জন্ম দিয়া পুত্ৰৰ অধিকাৰ দাবী কৰিব নোৱাৰা অসমৰ্থতাৰ বেদনাই পিটি পিটি গঢ়ি তোলা অদমনীয় মাতৃ পৰিচয়েৰে সন্তানৰ সন্মান আৰু প্ৰতিস্থাৰ যুজঁ চন্দ্ৰপ্ৰভাই অকলেই কৰি আহিছিল। পিতৃতান্ত্ৰিক সমাজ-ব্যৱস্থাৰ ৰঙা চকুৱেও ভয় খুৱাব নোৱাৰা চন্দ্ৰপ্ৰভাক প্ৰেম আৰু স্বামীত্বৰ আবেগিক বন্ধনতহে জোকাৰণি তুলিছিল যদিও বন্দিনী কৰিব পৰা নাছিল। মন্দে এৰা তিৰি, দাংকাতী আখ্যায়িত চন্দ্ৰপ্ৰভাই জীৱনৰ শেষ দিনটোলৈ এনে আদৰ্শ বজাই ৰখা আজি বহু নাৰীবাদী নাৰীৰ বাবেও আদৰ্শ। বুকুত অদম্য স্বাধীনতা প্ৰেম যাৰ সহায়ত নিজৰে নহয়, দেশ স্বাধীন হ'লেই নিম্নবৰ্গ নিৰ্যাতিতা নাৰীৰ সৰ্বাত্মক মুক্তিৰ সপোন ফলৱতীৰ আকাংখ্যাই তেওঁৰ মনৰ বিশ্ৰান্ত অসীম কৰ্মৰ উৎস আৰু লক্ষ্য আছিল।

চন্দ্ৰপ্ৰভা এগৰাকী পূৰ্ণবয়স্ক মানুহলৈ উত্তৰিত হোৱা জীৱনটো সম্পৰ্কে আমি মিল বিচাৰি পাওঁ নাৰীবাদী বুভোৱাৰ বক্তব্যৰ মাজত 'মুক্তা নাৰী সক্ৰিয়, গ্ৰহীতা আৰু নিস্ক্ৰিয়তাক প্ৰত্যাখ্যান কৰা ,পুৰুষে তেওঁৰ প্ৰতি আকৰ্ষিত হোৱাৰ প্ৰতিহে উদ্যোগী। 'আধুনিক নাৰীয়ে পুৰুষোচিত মূল্যবোধ গ্ৰহণ কৰে', তেওঁ নিজকে গৰ্ববোধ কৰে এই অৰ্থত যে তেওঁ পুৰুষৰ দৰে একেধৰণে চিন্তা কৰে, সক্ৰিয় ব্যৱস্থা গ্ৰহণ কৰে, কাম কৰে, সৃষ্টি কৰে, তেওঁলোকৰ অৱজ্ঞা হোৱাৰ বিপৰীতে নিজকে পুৰুষৰ সমভাগী হি চাপে ঘোষণা কৰে। [১৮] ■■

পাদটীকা ঃ

১। ভদ্ৰ গৌতম আৰু চট্টোপাধ্যায় পাৰ্থ, সম্পাদক,নিম্নবৰ্গের ইতিহাস, পৃঃ২, আনন্দ পাব্লিচাছ প্ৰাইভেট লিঃ, কলকাতা-১৯৯৮

২। পূৰ্বোক্ত, পৃঃ ৩

৩। পূৰ্বোক্ত, পৃঃ ৫

৪। পূৰ্বোক্ত, পৃঃ ১-২

৫। পূৰ্বোক্ত, পৃঃ ৫

৬। পূৰ্বোক্ত , বাকলি পৃষ্ঠা

৭। পূৰ্বোক্ত , পৃঃ ১৮১

৮। পূৰ্বোক্ত , পৃঃ ১৮-২০

৯। পূৰ্বোক্ত , পৃঃ ৩২

১০। পূৰ্বোক্ত , পৃঃ ৭

১১। পূৰ্বোক্ত , পৃঃ ১৬

১২। পূৰ্বোক্ত , পৃঃ ৩৯

১৩। গোহাঁই ৰাণী, সম্পাদক,অগ্ৰগামিনী , নিৰুপমা বৰগোহাঞি জীৱন আৰু কৃতি,পৃঃ ৩২, জ্যোতি প্ৰকাশন, গুৱাহাটী।

১৪। ভদ্র গৌতম, চট্টোপাধ্যায় পার্থ ,সম্পাদক, নিম্নবর্গের ইতিহাস,পৃঃ ৫ আনন্দ পাবলিচার্স, কলকাতা, ১৯৯৮।

১৫। বৰপূজাৰী হেৰম্বকান্ত, অসমৰ নৱজাগৰণত অনা অসমীয়াৰ ভূমিকা, পৃঃ 8,গুৱাহাটী,১৯৮৭

১৬। শইকীয়া শংকৰ, সম্পাদক , সুৰজিত বৰুৱা ৰচনা সংগ্ৰহ, চিৰন্তন সাহিত্যৰ দিন, প্ৰথম প্ৰকাশ, গুৱাহাটী, ২০০৭ , পৃঃ ২৩ ১৭। দাস পুষ্পলতা ,অগ্নিস্নাতা চন্দ্ৰপ্ৰভা, পৃঃ ১৯,নেচনেল বুক ট্ৰাষ্ট, প্ৰথম প্ৰকাশ, ১৯৯৮

১৮। Beauvoir Simone de - The Second Sex Vintage London, 1953,P 727